# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০

Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/২২/২০২৩-২৪
*Ref :*

তাৰিখ : ২৪-১১-২০২৩
*Date :*

## কৰ্মসংস্কৃতিৰ ধাৰণাৰে অসম জাতীয় বিদ্যালয়ত ‘লাচিত দিৱস’ উদ্‌যাপন

**নুনমাটি, গুৱাহাটী, ২৪ নৱেম্বৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে অসম জাতীয় বিদ্যালয়তো আজি ‘লাচিত দিৱস’ উদ্‌যাপন কৰা হয়। দিনৰ ২ বজাৰ পৰা আয়োজন কৰা এই অনুষ্ঠানৰ আৰম্ভণিতে অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে বীৰ লাচিতৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণত শিক্ষাৰ্থীসকলক লাচিতৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ নিজ কৰ্তব্যত হেলা নকৰিবলৈ আহ্বান জনায়। দ্বাদশ শ্ৰেণীৰ কলা শাখাৰ শিক্ষাৰ্থী ৰাখীমণি কাশ্যপে দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰে। বিদ্যালয়ৰ শৈক্ষিক বিষয়া ৰোহিণী কুমাৰ গোস্বামীয়ে লাচিত বৰফুকনৰ দেশপ্ৰেম সম্পৰ্কে এটি সাৰুৱা ভাষণ আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ বীৰ লাচিতৰ সাহস, কৰ্তব্যনিষ্ঠা তথা দেশপ্ৰেমৰ কথা বৰ্ণনা কৰি বিদ্যালয়ৰ শিক্ষাৰ্থীসকলকো নিজৰ ভাষা, সংস্কৃতিৰ প্ৰতি দায়বদ্ধতাৰে কৰ্ম কৰি যাবলৈ আহ্বান জনায়। অনুষ্ঠানটোত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে দেশপ্ৰেমমূলক নৃত্য-গীত-বক্তৃতা পৰিবেশন কৰে। উল্লেখযোগ্য যে অসম জাতীয় বিদ্যালয়ত ‘লাচিত দিৱস’ৰ দিনা বিদ্যালয় বন্ধ ৰখাৰ সলনি সম্পূৰ্ণ শ্ৰেণী অনুষ্ঠিত হয়। সম্পূৰ্ণ শ্ৰেণী অনুষ্ঠিত হোৱাৰ পাছত অতিৰিক্ত সময় লৈ এই দিৱস উদ্‌যাপন কৰা হয়। শিক্ষাৰ্থীসকলক লাচিতৰ কৰ্তব্যনিষ্ঠা তথা কৰ্মসংস্কৃতিৰ ধাৰণাৰে উদ্বুদ্ধ কৰিবৰ বাবে এনে পদক্ষেপ গ্ৰহণ কৰা হয়। আজিৰ অনুষ্ঠানটোত ষষ্ঠ শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ শিক্ষাৰ্থী উপস্থিত থাকে। ইংৰাজী বিভাগৰ শিক্ষয়িত্ৰী পল্লৱী দত্তই শলাগৰ শৰাই আগবঢ়োৱাৰ পাছত জাতীয় সংগীত পৰিবেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে। আজিৰ অনুষ্ঠানটোৰ আঁত ধৰে নৱম শ্ৰেণীৰ শিক্ষাৰ্থী সপ্তাৰ্শ্ব বৰদলৈ আৰু ভূমিষ্ঠা শৰ্মাই। লাচিত দিৱসৰ আহ্বায়িকাৰ দায়িত্বত আছিল হিন্দী বিভাগৰ শিক্ষয়িত্ৰী সুনীতা বৰুৱা।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়